**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-10-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

***HEADLINES***

**0000**

১। ব্ৰাজিলৰ উপ-ৰাষ্ট্ৰপতি তথা উন্নয়ন, উদ্যোগ, বাণিজ্য আৰু সেৱা মন্ত্ৰী গেৰাল্ডো অল্কমিন আজি দুপৰীয়া তিনিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়।

২। নক্সালৰ দ্বাৰা অতিপাত প্ৰভাৱিত জিলাৰ সংখ্যা ৬ৰ পৰা ৩লৈ হ্ৰাস পাইছে বুলি চৰকাৰে প্ৰকাশ কৰিছে।

৩। বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ২০৪৭ চনৰ ভিতৰত দেশক বিকশিত ভাৰত ৰূপে গঢ়ি তোলাত বন্দৰ খণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰিছে।

৪। সমগ্ৰ ৰাষ্ট্ৰই ড০ এ পি জে আব্দুল কালামৰ জন্ম বাৰ্ষিকী উপলক্ষে আজি প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰিছে।

আৰু

৫। বিজেপিয়ে আজি বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে ১২গৰাকী প্ৰাৰ্থী আন এখন তালিকা প্ৰকাশ কৰিছে।

০০০০০০০

ব্ৰাজিলৰ উপ-ৰাষ্ট্ৰপতি তথা উন্নয়ন, উদ্যোগ, বাণিদ্য আৰি সেৱা মন্ত্ৰী গেৰাল্ডো অল্কমিন আজি দুপৰীয়া তিনিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়। তেওঁ কাইলৈ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলৰ সৈতে মন্ত্ৰী পৰ্যায়ৰ বাণিজ্যিক পৰ্যালোচনা বৈঠকত মিলিত হ'ব।

এই ভ্ৰমণ কালত শ্ৰীঅল্কমিন উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ আৰু পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ পুৰীক সাক্ষাৎ কৰিব আৰু পাৰস্পৰিক সহযোগিতা স্বাৰ্থজড়িত বিভিন্ন বিষয় লৈ আলোচনা কৰিব। আমাৰ সংবাদদাতাই জনাইছে যে ব্ৰাজিল দক্ষিণ আমেৰিকাত ভাৰতৰ সৰ্ববৃহৎ বাণিজ্যিক সহযোগী। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শেহতীয়া ব্ৰাজিল ভ্ৰমণৰ সময়ত নেতা দুগৰাকীয়ে বাণিজ্য আৰু বিনিয়োগ সুদৃঢ় কৰাৰ বাবে মন্ত্ৰী পৰ্যায়ৰ পৰ্যালোচনাৰ ব্যৱস্থা কৰিবলৈ সন্মতি প্ৰকাশ কৰিছিল আৰু অহা ৫ বছৰত দুয়ো দেশৰ মাজত বাণিজ্যৰ পৰিমাণ দুহেজাৰ কোটি ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল। উপ-ৰাষ্ট্ৰপতি অল্কমিনৰ এই ভ্ৰমণে দ্বিপাক্ষিক বাণিজ্য আৰু বিনিয়োগৰ পৰ্যালোচনা চলোৱা, অগ্ৰাধিকাৰৰ নতুন খণ্ড চিনাক্তকৰণ, বাণিজ্য লক্ষ্য পূৰণৰ বিশদ পৰিকল্পনা নিৰ্ধাৰণ কৰা আৰু দুয়ো দেশৰ মাজত বহুমুখী কৌশলগত সহযোগিতা অধিক সুদৃঢ় কৰা হ'ব বুলি আশা কৰা হৈছে।

০০০০০০

নক্সালৰ দ্বাৰা অতিপাত প্ৰভাৱিত জিলাৰ সংখ্যা ৬ৰ পৰা ৩লৈ হ্ৰাস পাইছে বুলি চৰকাৰে প্ৰকাশ কৰিছে। সম্প্ৰতি বাওপন্থী উগ্ৰবাদৰ দ্বাৰা অতিপাত প্ৰভাৱিত জিলাৰ ভিতৰত ছত্তিশগড়ৰ বিজাপুৰ, ছুক্মা আৰু নাৰায়ণপুৰ আছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে নক্সালবাদ প্ৰভাৱিত জিলাৰ এই সংখ্যাৰ

পৰা দেশ যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ নক্সালমুক্ত ভাৰত গঢ়াৰ প্ৰতিশ্ৰুতি পূৰণৰ দিশে অগ্ৰসৰ হৈছে সেয়া প্ৰমাণিত হৈছে। মন্ত্ৰালয়ে লগতে ৮০০তকৈও অধিক উগ্ৰবাদীক গ্ৰেপ্তাৰ কৰা হৈছে আৰু এহেজাৰ ৬০০ৰো অধিক সদস্যই হিংসাৰ পথ পৰিহাৰ কৰি মূলসুঁতিলৈ উভতি অহা বুলি প্ৰকাশ কৰে। মোদী চৰকাৰৰ অধীনত ৰাষ্ট্ৰীয় কাৰ্যপৰিকল্পনা আৰু নীতিৰ কঠোৰ ৰূপায়ণেৰে ২০২৬ চনত ৩১ মাৰ্চৰ ভিতৰত নক্সালবাদৰ বিভীষিকা পুলিয়ে-পোখাই উৎখাত কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ বুলি গৃহ মন্ত্ৰালয়ৰ বিবৃতিটোত উল্লেখ কৰা হৈছে।

০০০০০০

ছত্তিশগড়ৰ ছুক্মা জিলাত আজি ২৭গৰাকী মাওবাদীয়ে অস্ত্ৰ সম্বৰণ কৰে। তেওঁলোকৰ ভিতৰত ১০গৰাকী মহিলা সদস্য আছে। তেওঁলোকে ছুক্মাৰ আৰক্ষী অধীক্ষক কিৰণ ছৱন আৰু অন্য জ্যেষ্ঠ বিষয়াসকলৰ সন্মুখত আত্মসমৰ্পণ কৰে। অস্ত্ৰ সম্বৰণ কৰা ১৬গৰাকী মাওবাদীৰ সম্ভেদ দিব পৰা লোকক মুঠ ৫০ লাখ টকাৰে পুৰস্কৃত কৰা হ'ব বুলি পূৰ্বতে ঘোষণা কৰা হৈছিল। অস্ত্ৰ সম্বৰণ কৰা প্ৰতিগৰাকী মাওবাদীক ছত্তিশগড় চৰকাৰৰ পুনৰসংস্থাপন নীতিৰ অধীনত ৫০ হাজাৰ টকা আৰু অন্য লাভ প্ৰদান কৰা হ'ব।

০০০০০০

দুৰ্গাপুৰ আদালতে আজি দলবদ্ধ ধৰ্ষণৰ বলি হোৱা দুৰ্গাপুৰৰ চিকিৎসা বিজ্ঞানৰ ছাত্ৰীগৰাকীৰ সহপাঠী অভিযুক্তজনক ৭ দিনৰ বাবে আৰক্ষীৰ জিম্মাত ৰখাৰ নিৰ্দেশ দিয়ে। কালি অভিযুক্তজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। এই গোচৰ সংক্ৰান্তত আৰক্ষীয়ে বৰ্তমানলৈকে মুঠ ছজনক গ্ৰেপ্তাৰ কৰিছে। ইয়াৰপূৰ্বে এই গোচৰ সংক্ৰান্তত আন পাঁচজন অভিযুক্তকো আদালতে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰিছিল।

পশ্চিমবংগৰ পশ্চিম বৰ্ধমান জিলাৰ দুৰ্গাপুৰৰ এখন ব্যক্তিগত চিকিৎসা মহাবিদ্যালয়ৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰীগৰাকীক যোৱা ১০অক্টোবৰত নিশাৰ আহাৰ খাই চিকিৎসা মহাবিদ্যালয়লৈ উভতি আহোতে মহাবিদ্যালয় চৌহদৰ সমীপত দলবদ্ধ ধৰ্ষণৰ অভিযোগ উত্থাপন হৈছিল।

০০০০০০

বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ২০৪৭ চনৰ ভিতৰত দেশক বিকশিত ভাৰত ৰূপে গঢ়ি তোলাত বন্দৰ খণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত নিউ মাংগালোৰ বন্দৰৰ সোণালী জয়ন্তীৰ প্ৰাৰম্ভিক অনুষ্ঠানত ভাষণ দি তেওঁ কয় যে ২০৪৭ চনৰ ভিতৰত ভাৰতক ৩০ লাখ কোটি ডলাৰৰ অৰ্থনীতি গঢ়ি তোলাৰ লক্ষ্যত বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত দেশৰ বন্দৰসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেওঁ কয় যে নিউ মাংগালোৰ বন্দৰ দেশৰ শ্ৰেষ্ঠ প্ৰদৰ্শন কৰা বন্দৰসমূহৰ অন্যতম। বছৰ বছৰ ধৰি বন্দৰটোৱে মাত্ৰ কেইবা হাজাৰ টন সামগ্ৰী উঠা-নমা কৰাৰ পৰা যোৱা বিত্তীয় বৰ্ষত ৪ কোটি ৬০ লাখ টন সামগ্ৰী পৰিবহন কৰিবলৈ সমৰ্থ হৈছে। বন্দৰটো সম্প্ৰতি সম্পূৰ্ণৰূপে সৌৰ শক্তিৰে চালিত বুলি শ্ৰীসোণোৱালে মন্তব্য কৰে।

০০০০০০

সমগ্ৰ ৰাষ্ট্ৰই ড০ এ পি জে আব্দুল কালামৰ জন্ম বাৰ্ষিকী উপলক্ষে আজি প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত ৰত্ন সন্মানেৰে বিভূষিত প্ৰখ্যাত বিজ্ঞানী আৰু প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। উপৰাষ্ট্ৰপতি ৰাধাকৃষ্ণনে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ড০ কালামক ভৱিষ্যদৰ্শী বিজ্ঞানী, প্ৰেৰণাদায়ক নেতা আৰু প্ৰকৃত দেশপ্ৰেমীক বুলি অভিহিত কৰে। তেওঁ কয় যে বিনম্ৰতা, কৰুণা আৰু শিক্ষাৰ্থীৰ সৈতে নিয়মীয়া বাৰ্তালাপে তেওঁ বিভিন্ন প্ৰজন্মৰ মাজত প্ৰিয় নেতা কৰি তুলিছিল। কালামে নিজৰ শব্দ আৰু কামেৰে যুৱ প্ৰজন্মক বৃহৎ চিন্তা কৰিবলৈ আৰু কঠোৰ পৰিশ্ৰম কৰিবলৈ প্ৰেৰণা যোগাইছিল বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে প্ৰতিৰক্ষা, বিজ্ঞান আৰু যুৱ সৱলীকৰণৰ ক্ষেত্ৰত তেওঁৰ প্ৰচেষ্টাই ভাৰতৰ আত্মনিৰ্ভৰশীলতাৰ যাত্ৰাত গতি প্ৰদান কৰিছে। ড০ কালামৰ দৃষ্টিভংগীয়ে প্ৰতিগৰাকী ভাৰতীয়ক কিবা এটা নতুন কৰিবলৈ আৰু মৰ্যদাসহকাৰে জীয়াই থাকিবলৈ প্ৰেৰণা যোগাই আহিছে বুলি উপৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী মোধীয়ে তেওঁৰ বাৰ্তাত কয় যে ড০ কালাম এগৰাকী দূৰদৰ্শী ব্যক্তি আছিল আৰু তেওঁ যুৱক-যুৱতী আৰু দেশক ডাঙৰ সপোন দেখিবলৈ প্ৰেৰণা যোগাইছিল। তেওঁৰ জীৱনে জনসাধাৰণক সফলতাৰ বাবে যে বিনম্ৰতা আৰু কঠোৰ পৰিশ্ৰম জৰুৰী সেই বিষয়ে সোঁৱৰাই দিয়ে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে কয় যে তেওঁ ড০ কালামৰ সপোনৰ শক্তিশালী আৰু আত্মনিৰ্ভৰ ভাৰত নিৰ্মাণৰ বাবে কাম কৰি যাব।

০০০০০০

বিজেপিয়ে আজি বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে ১২গৰাকী প্ৰাৰ্থী আন এখন তালিকা প্ৰকাশ কৰিছে। ইয়াকে লৈ বিজেপিয়ে এতিয়ালৈকে ৮৩গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে। এই অনুসৰি অলপতে বিজেপিত যোগদান কৰা জনপ্ৰিয় গায়ক মৈথেলী ঠাকুৰক আলিনগৰ আসনৰ পৰা প্ৰাৰ্থিত্ব দিয়া হৈছে। ভাৰতীয় আৰক্ষী সেৱাৰ প্ৰাক্তন বিষয়া আনন্দ মিশ্ৰ বক্সাৰৰ পৰা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। একেদৰে ড০ ছিয়াৰাম সিঙে বাঢ় সমষ্টিৰ পৰা আৰু মহেশ পাছোৱানে অগীআৱং সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেনিয়াৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰেইলা অডিংগাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত কয় যে প্ৰয়াত অডিংগাৰ এগৰাকী বিচক্ষণ নেতা আৰু ভাৰতৰ প্ৰিয় মিত্ৰ আছিল। ভাৰত আৰু কেনিয়াৰ মাজত সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত তেওঁৰ প্ৰয়াস সুস্পষ্ট বুলি প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰকাশ কৰে।

০০০০০০

ৰাষ্ট্ৰসংঘই আফগানিস্তান আৰু পাকিস্তানৰ মাজত সীমা সংঘৰ্ষক লৈ উদ্বেগ প্ৰকাশ কৰিছে। আফগানিস্তানত ৰাষ্ট্ৰসংঘৰ বিশেষ কটকী ৰিছাৰ্ড বেনেটে এই সংঘৰ্ষৰ বাবে ভালেসংখ্যক জনসাধাৰণ হতাহত হোৱা আৰু বহুসংখ্যক লোকে যুদ্ধৰ বাবে নিজৰ বাসগৃহ এৰি যাবলগীয়া হোৱাক লৈ চিন্তা প্ৰকাশ কৰিছে। তেওঁ দুয়ো পক্ষকে সৰ্বাধিক সংযম বৰ্তাই ৰাখিবলৈ, অসামৰিক লোকৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ আৰু আন্তঃৰাষ্ট্ৰীয় আইন মানি চলিবলৈ আহ্বান জনাইছে। আফগানিস্তানৰ কাণ্ডাহাৰ প্ৰদেশৰ স্পিন বোল্ডক জিলাত আজি পুৱা নতুনকৈ সূত্ৰপাত হোৱা সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত এইদৰে উদ্বেগ প্ৰকাশ কৰা হৈছে। তালিবানৰ মুখপাত্ৰ জবিহুল্লা মুজাহিদে প্ৰকাশ কৰা মতে পাকিস্তানী সেনাবাহিনীয়ে পুৱতি নিশা প্ৰায় ৪ বজাত গধুৰ অস্ত্ৰ-শস্ত্ৰৰে সীমান্তৱৰ্তী এলেকাক লক্ষ্য কৰি আক্ৰমণ চলোৱাৰ পাছতে অঞ্চলটোত সংঘৰ্ষৰ সূত্ৰপাত হয়। মুজাহিদে এই আক্ৰমণত কমেও ১২জন আফগান নাগৰিক নিহত আৰু ১০০ৰো অধিক আহত হোৱা বুলি দাবী কৰে। পাকিস্তানত আক্ৰমণৰ প্ৰত্যুত্তৰত আফগান বাহিনীয়ে চলোৱা আক্ৰমণত কেইবাজনো পাকিস্তানী সৈনিক নিহত হোৱা বুলি

আৰু দেশখনৰ একাংশ চকী দখল কৰা বুলি তেওঁ দাবী কৰে। কাণ্ডাহাৰৰ স্থানীয় চিকিৎসা কৰ্মীয়ে আক্ৰমণৰ পাছত চিকিৎসালয়ত ভালেসংখ্যক লোক ভৰ্তি হোৱা বুলি প্ৰকাশ কৰিছে। এই আক্ৰমণত ২৫জন নিহত আৰু ৮০জনৰো অধিক লোক আহত হোৱা বুলি কোৱা হৈছে। হতাহতৰ ভিতৰত ভালেসংখ্যক মহিলা আৰু শিশু আছে।

ইয়াৰ পূৰ্বে ১২ অক্টোবত তালিবানে প্ৰত্যাক্ৰমণ চলাই ৫৮জন পাকিস্তানী সৈনিকক নিহত কৰিছিল। আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ে পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে।

০০০০০০

সমাপ্ত